# CINTA SILPA

# চিন্তা শিল্প

[A collection of multi-faceted research articles]

Edited by
Malamoni Goswami
Pranjal saikia

CINTA SILPA

The book contains a bilingual multidisciplinary research articles edited by Mrs. Malamoni Goswami and Mr. Pranjal Saikia. Assistant Professor, Golaghat Purbanchalik College and published by Research and Publication Cell, Golaghat Purbanchalik College, Golaghat - 26, Assam.

---

**Editors**:
Mrs. Malamoni Goswami
Mr. Pranjal Saikia

**Board of Research and Publication Cell** :
President : Malamoni Goswami
Principal i/c, Golaghat Purbanchalik College
**Members** :
Mr. Tridib Luchan Barooah, Coordinator Research and Publication Cell
Mr. Swaraj kr. Das, Co-Coordinator Research and Publication Cell
Mr. Bijit Saikia, HOD, Department of political science.
Mr. Pankaj Gogoi. HOD, Department of Economics.
Mrs. Chandana Panging, HOD, Department of Assamese.
Ms. Basanti Gogoi, HOD . Department of Sociology.

Year Of Publication
31st Dec 2023

ISBN:978-93-5996-346-4

Published by Publication Cell, Golaghat Purbanchalik College.
Printed at Sanskriti Prakashan , Jorhat, Assam

Price - Rs. 250.00

---

Disclaimer: The editors and the editorial board shall not be responsible for any insufficiency and inaccuracy of data or relevant Tacts provided in support of their arguments and opinion express in article published in this volume.

৭. Folk Cultures of Sonowal Kachari Tribe-A Sociological Study

✍ *Sanjib Kr. Dutta* ৭১

৭. Significance of Technology in Education

✍ *Jahanara Begum* ৮২

৮. অসমীয়া আত্মজীৱনী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' ঃ চমু আলোকপাত

✍ ড° প্ৰণৱ ঢেকিয়াল ফুকন ৯২

৯. "অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চুতীয়াসকলৰ অৱদান"

✍ আইভিলতা চুতীয়া ১০২

১০. তোষপ্ৰভা কলিতাৰ শিশু সাহিত্য 'ফুলনি'ৰ এক আলোচনা

✍ ডঃ দীপ্তি বৰুৱা ১০৭

১১. অসমৰ গ্ৰাম্য অৰ্থনীতি বিকাশত শঙ্কৰদেৱৰ প্ৰভাৱ

✍ ড° বিশ্বদীপা দাস ১১৬

১২. সাম্প্ৰতিক প্ৰেক্ষাপটত অসমীয়া ভাষালৈ বৈদ্যুতিন সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমে কঢ়িয়াই অনা অশনি সংকেতঃ এক বিশ্লেষণাত্মক অধ্যয়ন

✍ প্ৰতিম শইকীয়া ১২৪

১৩. 'হৃদয় এক নদীৰ নাম' গল্প সংকলনত প্ৰতিফলিত সমাজ-জীৱনৰ চিত্ৰ ঃ একবিশ্লেষণাত্মক অধ্যয়ন

✍ মালামণি গোস্বামী ১৩৫

১৪. ৰামধেনু যুগৰ অসমীয়া চুটিগল্পত সমাজ, সংস্কৃতিৰ প্ৰতিফলনঃ লক্ষ্মীনন্দন বৰাৰ চুটিগল্পৰ আধাৰত এক চমু অৱলোকন

✍ প্ৰণীতা দাস ১৪৯

১৫. উজনি অসমৰ মুছলমানসকলৰ বিবাহ-অনুষ্ঠান

✍ নাচৰিণ বেগম ১৫৯

# 'হৃদয় এক নদীৰ নাম' গল্প সংকলনত প্ৰতিফলিত সমাজ-জীৱনৰ চিত্ৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

✍ মালামণি গোস্বামী
গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয়

০.১ **অৱতৰণিকা ঃ**

বাস্তৱবাদী লেখিকা মামণি ৰয়ছম গোস্বামীৰ প্ৰতিটো গল্পই সমাজ-জীৱনৰ একোখনি বাস্তৱ চিত্ৰ। 'য'তেই লেখিকাৰ অন্তৰ্দৃষ্টিয়ে মানুহৰ দুখ-যাতনা আৰু শোষণ-নিপীড়ন, প্ৰতাৰণা আৰু ছলনাৰ অভিশপ্ত জীৱন আবিষ্কাৰ কৰিছে , তাতেই তেওঁৰ কল্পনাই নিপীড়িতসকলৰ জীৱনৰ আংশীদাৰ হৈ প্ৰৱাস খাটিছে।'[১] ভিন্ন সমাজৰ ভিন্ন মানসিকতা সম্পন্ন মানুহৰ ভিন্ন জীৱনৰ ছন্দবোৰ ভিন্ন দৃষ্টিৰে তেওঁ গল্পসমূহত অংকন কৰিছে। 'হৃদয় এক নদীৰ নাম' গল্প সংকলনটিৰ গল্পসমূহত চিত্ৰিত জীৱন আৰু জগতৰ ভিন্ন স্বাদৰ বিচিত্ৰ ৰূপৰ সূক্ষ্ম নিৰীক্ষণ আৰু চিত্ৰন , সহানুভূতিশীলতাই পাঠকৰ মন-মগজু- হৃদয় আলোড়িত কৰি তোলে। বিশেষকৈ নিম্নবৰ্গীয় সমাজ-জীৱন, সমাজ চেতনা, সামাজিক সংস্কাৰৰ গভীৰ নিৰীক্ষণ, সমাজৰ নিপীড়িতসকলৰ জীৱনৰ কাৰুণ্যতা, বিধবা আৰু নিঃসঙ্গ নাৰীৰ জীৱন যন্ত্ৰণা আদি গল্প সংকলনটিৰ 'হৃদয়', 'সংস্কাৰ', ' নাঙঠ চহৰ', 'পশু' ,' উদং বাকচ', 'পৰশ ৰতন' আৰু 'ৰিণিকি ৰিণিকি দেখিছো যমুনা' গল্পত গভীৰ তথা অন্তৰতম দৃষ্টিৰে চিত্ৰিত কৰিছে। আলোচনা পত্ৰত উল্লেখিত সাতোটা গল্পত প্ৰতিফলিত হোৱা সমাজ-জীৱন চিত্ৰ দাঙি ধৰা হ'ব।

০.২ **অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্বঃ**

মামণি ৰয়ছম গোস্বামীৰ গল্পসমূহৰ- চৰিত্ৰ, নাৰীৰ মনস্তাত্বিক বিশ্লেষণ, পটভূমি, মানৱতাবাদ, তুলনামূলক আলোচনা আদি বিভিন্ন দিশৰ কিছু গৱেষণামূলক আলোচনা হৈছে যদিও গল্পসমূহত প্ৰতিফলিত হোৱা সমাজ-জীৱনৰ চিত্ৰ সম্পৰ্কে এতিয়াও গৱেষণামূলক অধ্যয়নৰ অৱকাশ আছে। কিয়নো সত্তৰৰ পৰা নব্বৈ দশকত লিখা এই গল্পসমূহত